# মাতৃভাষা আহৰণৰ বিভিন্ন পদ্ধতিসমূহ

# আৰম্ভণি:

- ভাষা হৈছে মানুহৰ ভাব প্ৰকাশৰ প্ৰথম বাহন।
- মানুহে স্থান-কাল-পাত্ৰভেদে বিভিন্ন ধ্বনি উচ্চাৰণ কৰে আৰু তাৰ যোগেদি বিভিন্ন শব্দ, বাক্য আদিৰ সৃষ্টি কৰে।
- বিভিন্ন ভৌগলিক পৰিৱেশ, দেশ, জাতিৰ মাজত থকা ভৌগলিক ব্যৱধানৰ তাৰতম্যৰ কাৰণে মানুহৰ ভাষাবোৰ ভিন্ন ধৰণৰ হয়।
- শিশুৱে স্বাভাৱিকতে পিতৃ-মাতৃৰ পৰাই ভাষা জ্ঞান আয়ত্ব কৰে।
- সাধাৰণতে শিশুৱে মাতৃৰ মুখৰ পৰাই প্ৰথম ভাষা আয়ত্ব কৰে বাবে এই ভাষাটোক মাতৃভাষা আখ্যা দিয়া হয়।

- মানুহে পৰস্পৰৰ মাজত যোগাযোগ স্থাপন কৰিবৰ কাৰণে কিছুমান ধ্বনি-প্ৰতীক উচ্চাৰণ কৰে, সেয়াই হৈছে ভাষা ।

- **যতীন্দ্ৰ নাথ গোস্বামীৰ মতে;** মুখেৰে উচ্চাৰণ কৰা যাদৃচ্ছিক ধ্বনি প্ৰতীকৰ সহায়ত মানুহে এজনে আন এজনৰ সৈতে ভাবৰ আদান প্ৰদান কৰে, এনে যাদৃচ্ছিক ধ্বনি প্ৰতীকক ভাষা বোলে ।

# মাতৃভাষা আহৰণৰ বিভিন্ন পদ্ধতিসমূহ:

- শ্ৰৱণ
- কথন
- পঠন
- লিখন

# শ্ৰৱণ-




*ভাষা শিক্ষাৰ ক্ষেত্ৰত শ্ৰৱণৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। কথা শুনিলেহে বোধৰ জন্ম হয় আৰু শ্ৰৱণ শক্তি বাঢ়ে। সেয়ে শুনাৰ সময়ত শিক্ষক বা অভিভাবকে ভুল-ক্ৰটি ৰাখিব নালাগে, শব্দৰ সঠিক উচ্চাৰণৰ ওপৰত গুৰুত্ব দিব লাগে আৰু শব্দবোৰৰ কোনখিনিত জোৰ দিব লাগে বা নালাগে সেই বিষয়ে সচকিত হৈহে তেওঁলোকক কথাবোৰ শুনাব লাগে। দ্বিতীয়তে পিতৃ-মাতৃ তথা অভিভাৱকসকলে ভাষা শিক্ষাৰ ক্ষেত্ৰত কোনটো ৰূপ গ্ৰহণীয় তাক ছাত্ৰসকলক বুজাই দিব লাগে। সাধাৰণতে কথিত ভাষাত ঘৰত কথা পতা হয়; কিন্তু বিদ্যালয়ত সেই ভাষা নচলে। গতিকে পৰাপক্ষত মান্য ভাষাতেই তেওঁলোকক কথাবোৰ শুনাব লাগে। তৃতীয়তে শ্ৰুতলিপি দিয়াৰ সময়ত শুদ্ধ উচ্চাৰণৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন।*

# কথন:

শিশুৱে প্ৰথম মাতৃভাষাতেই কথা ক'বলৈ আৰম্ভ কৰে আৰু ইয়াক ই মাকৰ পৰাই শিকি লয়। তাৰ পিছত অন্যক অনুকৰণ কৰি কথা ক'বলৈ আৰম্ভ কৰে। এইখিনি সময়ত মাকে যত্ন লোৱা উচিত যাতে শিশুটোৱে ঠিকমতে কথাখিনি উচ্চাৰণ কৰিব পাৰিছে। সেইখিনি সময়ত ব্যাকৰণৰ প্ৰয়োজন নাথাকে। গতিকে দুই-এটা ভুলকৈ হ'লেও তাক স্পষ্টভাৱে কথা ক'ব দিব লাগে আৰু ইয়াৰ যোগেদিয়ে তাৰ বাকশক্তি বাঢ়ে। ল'ৰা-ছোৱালীয়ে যিমানে কথা কয় সিমানেই তাৰ ভাষা কোৱাৰ দক্ষতা বাঢ়ে। বিদ্যালয়লৈ নোযোৱাকৈ কথিত ভাষাতেই মাতৃভাষাক আয়ত্ত কৰা সম্ভৱ। সেয়ে কথিত ভাষাৰ অনুশীলন কেতিয়াও বন্ধ কৰিব নালাগে।



# পঠন:

পঠনৰ যোগেদি ভাষা শিক্ষাৰ পাঠ আৰম্ভ হয়। ইয়াৰ যোগেদি জ্ঞান-ভাণ্ডাৰ উন্মুক্ত হয়। ভাষাৰ কিতাপ এখন পঢ়িলে সেই ভাষাটোৰ বৈজ্ঞানিক বিশ্লেষণ আমাৰ জ্ঞাত হয়। সাহিত্য পাঠে অমাৰ মনত ৰুচিবোধ জন্মায়। বিজ্ঞানৰ গ্ৰন্থই বিশ্লেষণ ক্ষমতা বঢ়ায় আৰু দৰ্শন শাস্ত্ৰৰ অধ্যয়নে আমাৰ মননশীলতাৰ বিকাশ ঘটায়। গতিকে ছাত্ৰ-ছাত্ৰী বা শিশুক ভাষা  শিক্ষা তথা জ্ঞান দিবলৈ পঠনৰ অভ্যাস কৰাব লাগিব। পঠনৰ যোগেদিয়ে বিভিন্ন গ্ৰন্থৰ ৰচনা ৰীতিত শব্দ প্ৰয়োগ, শব্দবিলাকৰ গুৰুত্বৰ এই বিষয়ে তেওঁলোকে জ্ঞান আহৰণ কৰে। গতিকে পঠন নোহোৱাকৈ ভাষা শিকাটোও অসম্ভৱ কথা।



# লিখন:

লিখা কথাটো শ্ৰৱণৰ দৰে প্ৰাথমিক কথা নহয় কাৰণ লিখিবলৈ কিছুমান উপকৰণৰ প্ৰয়োজন হয়। যেনে- বৰ্ণমালা, আখৰ আদিৰ বিষয়ে শিশুৱে জানিব লাগিব। আকে লিখনৰ যোগেদি অইনক মনৰ কথাখিনি অৱগত কৰিব পাৰি। গতিকে অইনক অৱগত কৰিব পৰাকৈ লিখনক সম্পূৰ্ণৰকমে উপযুক্ত কৰি তুলিব লাগিব। লিখনৰ দ্বাৰাই শাৰীৰিকভাৱে বাধাগ্ৰস্ত শিশুয়েও নিজৰ মনৰ কথা প্ৰকাশ কৰিব পাৰে। গতিকে শিশুক পঢ়াশালিলৈ অহাৰ লগে লগে লিখনৰ গুৰুত্ব সম্পৰ্কে ভালদৰে বুজাই কোৱাৰ দৰকাৰ। দ্বিতীয়তে লিখনৰ লগত ৰুচিবোধৰ কথা জড়িত হৈ আছে। ভাল আখৰ হ'লে লিখা কথাখিনি সহজে বুজি পায়। আখৰক লাগ-বান্ধ নোহোৱাকৈ ব্যৱহাৰ কৰাটো মানুহৰ এটা অন্য মনস্কতাৰ চিন। গতিকে সুস্থ মন এটাৰ চিনাকি দিয়াৰ লগতে সুলিখনে কথাখিনি অইনক বুজাত সহায় কৰে আৰু লিখকৰ সৌন্দৰ্যবোধৰ ধাৰণা প্ৰকট কৰে। সেয়ে অভিভাৱক বা শিক্ষকসকলে লিখন বিদ্যাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে। লিখন বিদ্যাই জ্ঞানক আৰু ভাৱক স্থায়িত্ব দিয়ে। এই কথা মনত ৰাখি লিখন বিদ্যাৰ প্ৰতি সচেষ্ট হোৱাতো অতি দৰকাৰ।



# সামৰণি:

- শিশুৰ মাতৃভাষা আহৰণৰ ক্ষেত্ৰত শ্ৰৱণ, কথন, পঠন আৰু লেখনৰ গুৰুত্ব অধিক।
- এইসমূহৰ জৰিয়তে শিশুৱে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ বাবে প্ৰয়োজনীয় ভাষাটো আয়ত্ব কৰিব পাৰে।
- পৰস্পৰৰ লগত যোগাযোগ স্থাপন কৰিবলৈ যিহেতু ভাষাৰ প্ৰয়োজন, সেয়েহে প্ৰতিজন শিশুক সৰু কালৰ পৰাই শুদ্ধ আৰু স্পষ্ট ৰূপত নিজৰ ভাষাৰ দক্ষতা বিকশিত কৰি তোলাটো নিত্যান্তই প্ৰয়োজনীয়।


THANK
YOU